**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-FEB-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

—————————————

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত আজিৰ পৰা ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হৈছে। ইয়াৰ ভিতৰত ১ লাখ ৯০ হাজাৰ দুশ তিৰাল্লিছ জন ছাত্ৰ আৰু দুই লাখ আঠচল্লিছ হেজাৰ তিনিশ বাইছগৰাকী ছাত্ৰী সামৰি মুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হব। পুৱা ৯ বজাৰ পৰা প্ৰথম দিনৰ পৰীক্ষা অনুষ্ঠিত হব। হাইস্কুল শিক্ষান্ত পৰীক্ষা, ব্যৱহাৰিক পৰীক্ষা ইতিমধ্যে সমাপ্ত হৈছে। আজি আৰম্ভ হোৱা পৰীক্ষা অহা ২৭ ফেব্ৰুৱাৰীত অন্ত পৰিব। এইবাৰ প্ৰশ্নকাকতৰ ক্ষেত্ৰত পৰিষদে কিছুমান নতুন ব্যৱস্থা গ্ৰহণ কৰিছে। বিগত বৰ্ষবোৰৰ দৰে কেইবাটাও ভাষাত পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হব পাৰিব যদিও একেখন প্ৰশ্নকাকতৰ বিপৰীতে এইবাৰ অসমীয়া, ইংৰাজী, বড়ো আৰু হিন্দী মাধ্যমৰ প্ৰশ্নকাকত পৃথককৈ ছপা কৰা হৈছে। পৰীক্ষাৰ সময়ছোৱাত কোনো অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হব নোৱাৰাৰ প্ৰতিও পৰিষদে বিশেষ নজৰ ৰাখিছে।

ইপিনে কাইলৈৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত কলা, বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী শাখাৰ পৰীক্ষা অনুষ্ঠিত হব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আটাইকেইটা শাখা মিলি মুঠ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। ৰাজ্যৰ ৮২১টা পৰীক্ষা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী পৰীক্ষাৰ্থী, বিজ্ঞান শাখাত মুঠ ৬১ হাজাৰ ৫৬৮ পৰীক্ষাৰ্থী আৰু বাণিজ্য শাখাত মুঠ ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। একেদৰে বৃত্তিমুখী শাখাত এহেজাৰ ৫০৫ পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হ'ব। পৰীক্ষা সমাপ্ত হোৱাৰ পিচতে মুঠ ৪৮ টা পৰীক্ষাৰ মূল্যায়ন মণ্ডলত উত্তৰ বহীসমূহ মূল্যায়ন কৰা হ'ব বুলি ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে জানিবলৈ দিছে।

এই পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাজহুৱা অনুষ্ঠানসমূহ মাইক জাতীয় উচ্চ প্ৰাবল্যৰ শব্দৰ যন্ত্ৰ ব্যৱহাৰ নকৰাকৈ আয়োজন কৰি পৰীক্ষাৰ্থীসকলক সহায় কৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সমূহ পৰীক্ষাৰ্থীলৈ শুভেচ্ছা জনাইছে।

০০০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰথমটো আনুষ্ঠানিক কাৰ্যসূচীৰ কালি শুভাৰম্ভ কৰা হয়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই চাবুৱাত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। দিনজয় চাহ বাগিচাৰ খেল-পথাৰত অনুষ্ঠিত এই কাৰ্যসূচীত ডং শৰ্মাই প্ৰস্তাৱিত ভূমি বন্দোৱস্তিৰ প্ৰ-পত্ৰসমূহ বিতৰণ কৰে। ৰাজ্য চৰকাৰে শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে।

বাইট

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে চাহ শ্ৰমিকসকলক প্ৰধানমন্ত্ৰীৰ আবাস যোজনাৰ অধীনত একোটাকৈ বাসগৃহ আৰু গৃহ মেৰামতিৰ বাবে ১ লাখ টকাকৈ দিয়াৰ চিন্তা-চৰ্চা কৰিছে বুলি উল্লেখ কৰে। ৰাজ্যৰ বিভিন্ন জিলাত কেইবাগৰাকী মন্ত্ৰীয়ে কালি প্ৰস্তাৱিত ভূমি বন্দোৱস্তিৰ প্ৰ-পত্ৰ বিতৰণ কৰে।

চৰাইদেউ জিলাৰ ডোমৰ দলং চাহ বাগিছাত আৰু ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে চাহ শ্ৰমিক পৰিয়ালসমূহক ভূমি বন্দোবস্তিৰ প্ৰপত্ৰ বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে চাহ শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া ভূমি সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়বদ্ধতাৰ বিষয়ে উল্লেখ কৰে।

মৰাণ চাহ বাগিচাৰ এহেজাৰ ৩৮৭টা পৰিয়ালে ভূমি বন্দোবস্তিৰ প্ৰমাণপত্ৰ লাভ কৰিছে বুলি মন্ত্ৰী বিমল বৰাই প্ৰকাশ কৰিছে। তেওঁ কয় যে চাহ শ্ৰমিকসকলৰ মৰ্যাদা সুৰক্ষা আৰু সৰ্বাংগীন বিকাশ সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে এই শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে এই বন্দোৱস্তি অনুযায়ী শ্ৰমিকৰ আবাসিক এলেকাত বসবাস কৰা চাহ জনগোষ্ঠীৰ শ্ৰমিক পৰিয়ালসমূহক এই প্ৰ-পত্ৰ প্ৰদান কৰা হৈছে। ইয়াৰ জৰিয়তে এই পৰিয়ালসমূহে আধুনিক জৰীপ মানচিত্ৰৰ জৰিয়তে ভূমিৰ অধিকাৰ লাভ কৰিব। ইয়াৰ লগতে গৃহ নিৰ্মাণ আৰু প্ৰয়োজনীয় বেংক ঋণ, শিক্ষা আৰু কল্যাণমূলক আঁচনিসমূহৰ সুবিধাও লাভ কৰিব। এই অধিকাৰ ডিজিটেলী নথিভুক্ত স্থায়ী ভূমি অধিকাৰ হ'ব বুলি ৰাজ্য চৰকাৰে ইতিমধ্যে সদৰি কৰিছে। ৮২৬ খন চাহ বাগিচা সামৰি লোৱা এই পদক্ষেপৰ অন্তৰ্ভুক্ত শ্ৰমিক পৰিয়ালসমূহক সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা নিৰ্ধাৰিত কেন্দ্ৰৰ পৰা অফলাইন প্ৰ-পত্ৰ সংগ্ৰহ কৰিবলৈ ৰাজ্য চৰকাৰে অনুৰোধ জনাইছে।

০০০০০০

ৰাষ্ট্ৰীয় কন্যা শিশু দিৱসৰ সৈতে সংগতি ৰাখি বাল্য বিবাহ মুক্ত ভাৰত অভিযানৰ অংশ হিচাপে কালি লখিমপুৰত ‘বেটী বচাও, বেটী পঢ়াও’ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই অনুষ্ঠানত জিলাখনৰ আয়ুক্ত প্ৰণৱজিৎ কাকতি, উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মুকুল চন্দ্ৰ বৰাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই কাৰ্যসূচীৰ অধীনত কন্যা শিশুৰ শিক্ষাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে জিলা পৰ্যায়ত আয়োজিত ছোৱালীৰ বেডমিণ্টন, চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰো বিতৰণ কৰা হয়।

০০০০০০

**সমাপ্ত**